**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-09 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলিগড় শোধনাগাৰ কৰ্তৃপক্ষৰ লগতে গোলাঘাট প্ৰশাসনে প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ব্যাপক প্ৰস্তুতি চলাইছে। গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালাই আজি এই প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ লগতে অসম পৰ্যটন উন্নয়ন বোৰ্ডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, প্ৰাক্তন সাংসদ তপন গগৈ, অসম আৰক্ষীৰ আইন শৃংখলা শাখাৰ মহা পৰিদৰ্শক অখিলেশ কুমাৰ সিং, গোলাঘাট জিলা আৰক্ষী অধীক্ষক ৰাজেন সিঙকে ধৰি জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী শ্ৰীগোৱালাই কয়, যে এই প্ৰকল্পই বাহ খেতিয়কসকলক লাভান্বিত কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি অধিক শক্তিশালী কৰিব। উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে এই প্ৰকল্পটো নিৰ্মাণ কৰা হৈছে। ইয়াৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালক ভাস্কৰ জ্যোতি ফুকনে ইতিমধ্যে জানিবলৈ দিছে। ইয়াৰ লগতে তৰল কাৰ্বন ডাই অক্সাইড উৎপাদন কৰা হ'ব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰকল্প উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধানাগাৰত নিৰ্মাণ হ'ব লগা প'লিপ্ৰ'পিলিন ইউনিটৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি চলি আছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে, সুধাকণ্ঠৰ সংগীতৰ ছন্দত মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ জনগণৰ সুখ, দুখ, অনুভূতি জীৱনৰ বিচিত্ৰ দৃশ্য প্ৰতিফলিত হৈছিল। সেয়ে ভূপেন হাজৰিকাৰ স্মৃতিত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ অধীনত ভাৰতীয় অন্তৰ্দেশীয় জলপথ প্ৰাধিকৰণৰ সৌজন্যত এটি বিশেষ যাত্ৰাৰ আয়োজন কৰা হৈছে। শদিয়াৰ পৰা ধুবুৰীলৈ যাবলগীয়া এই সংগীতময় যাত্ৰাই ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী আৰু যোগীঘোপা আদি ঠাই স্পৰ্শ কৰিব।

ইপিনে, সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ এহেজাৰ শিল্পীয়ে তেওঁৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব। এই উপলক্ষে অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। পৰৱৰ্তী সময়ত কলকাতা, মুম্বাই, নতুন দিল্লী আৰু অৰুণাচল প্ৰদেশকে ধৰি দেশৰ ভিন ভিন স্থানত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান আয়োজন কৰা হ'ব। খানাপাৰাৰ অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহী লোকৰ বাবে ৰাজ্য চৰকাৰে এটা প'ৰ্টেল

মুকলি কৰা হৈছে। ৮ ছেপ্তেম্বৰৰ নিশা ১২ বজাৰ ভিতৰত আগ্ৰহীসকলে এই প'ৰ্টেলত নিজৰ সবিশেষ দাখিল কৰি নাম পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০

মন্ত্ৰী প্ৰশান্ত ফুকনে আজি ডিব্ৰুগড়ত ২৮ গৰাকী ব্যক্তিক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ এককালীন ধনৰ চেক বিতৰণ কৰে। বিভিন্ন ৰোগত আক্ৰান্ত এই লোকসকলক চেকসমূহ বিতৰণ কৰা হয়। এই সাহায্যৰ জৰিয়তে দুখীয়া লোকসকলক ৰোগৰ উন্নত চিকিৎসাৰ ক্ষেত্ৰত আৰ্থিকভাৱে সকাহ প্ৰদানৰ বাবে মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

কেঁচা চাহপাতৰ মান আৰু মূল্যৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনাৰ বাবে আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত Dibrugarh District Green Leaf Price monitoring Committee ৰ এখন সভা অনুষ্ঠিত হয়। চাহ বোৰ্ডৰ উদ্যোগত অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সহকাৰী আয়ুক্ত, জিলা কৃষি বিষয়া, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ প্ৰতিনিধি, আবিতাৰ প্ৰতিনিধি আদিকে ধৰি অসমৰ চাহৰ লগত জড়িত কেইবাটাও সংস্থাৰ প্ৰতিনিধিসকলে অংশ লয়।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চলিত বছৰৰ মহাবিদ্যালয় গ্ৰন্থমেলা কালিৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হৈছে। ১১ অক্টোবৰলৈ ৰাজ্যৰ ছখন মহাবিদ্যালয়ত চলিবলগীয়া এই গ্ৰন্থমেলা কালি আৰু আজি নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। ৯ৰ পৰা ১১ ছেপ্তেম্বৰলৈ ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ১৫ আৰু ১৬ অক্টোবৰত নাজিৰা কলেজ, ১৮ৰ পৰা ২০ অক্টোবৰলৈ বিশ্বনাথ কলেজত এই গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। একেদৰে, ২২ৰ পৰা ২৪ ছেপ্তেম্বৰলৈ ছয়দুৱাৰ কলেজ আৰু ১০, ১১ অক্টোবৰত দৰং কলেজত গ্ৰন্থমেলা মুকলি থাকিব।

০০০০০

সমাপ্ত